NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 24**-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ভাৰত আৰু চীনে নিয়ন্ত্ৰণৰেখাৰ সমীপৰ নিৰ্দিষ্ট অঞ্চলৰ বিবাদসমূহ মীমাংসাৰ বাবে কূটনৈতিক আৰু সামৰিক পৰ্যায়ৰ বাৰ্তালাপত মিলিত হোৱা উচিত।

২। অৰ্থনৈতিক পৰিক্ৰমাৰ সংসদীয় সমিতিয়ে আজি প্ৰায় ছহেজাৰ ৭৯৮ কোটি টকা ব্যয় সাপেক্ষ দুটা ৰে'ল প্ৰকল্পত অনুমোদন জনাইছে।

৩। জাৰ্মানীৰ ছেন্সেলৰ অ'লাফ ছ'লজে সপ্তম আন্তঃ চৰকাৰ বাৰ্তালাপত অংশ লোৱাৰ উদ্দেশ্যে তিনি দিনীয়া কাৰ্যসূচীৰে আজি নিশা নতুন দিল্লীত উপস্থিত হ'ব।

৪। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে, চৰকাৰে পথ সুৰক্ষাৰ পৰিৱেশ তন্ত্ৰত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰিবলৈ সকলোধৰণৰ আধুনিক প্ৰযুক্তি প্ৰয়োগ কৰিছে।

*আৰু*

৫। পুনেত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ আজি প্ৰথম দিনা নিউজিলেণ্ডে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৫৯ ৰান সংগ্ৰহ কৰে।

00000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কৈছে যে, ভাৰত আৰু চীনে নিয়ন্ত্ৰণৰেখাৰ সমীপৰ নিৰ্দিষ্ট অঞ্চলৰ বিবাদসমূহ মীমাংসাৰ বাবে কূটনৈতিক আৰু সামৰিক পৰ্যায়ৰ বাৰ্তালাপত মিলিত হোৱা উচিত। নতুন দিল্লীত আজি চাণক্য প্ৰতিৰক্ষা আলোচনা ২০২৪ৰ মুকলি অনুষ্ঠানত শ্ৰী সিঙে কয় যে, দুয়োপক্ষৰ পাৰস্পৰিক আৰু সমান নীতিৰ আধাৰত বিশেষ পৰিৱেশত এনেধৰণৰ বাৰ্তালাপ হ'ব পাৰে। তেওঁ লগতে নিয়ন্ত্ৰণৰেখাৰ সমীপৰ অঞ্চলসমূহত তহলদাৰী আৰু বিচৰণ কৰাৰ সন্দৰ্ভতো আলোচনাৰ পোষকতা কৰে। তেওঁ কয় যে, দুয়োপক্ষৰ মাজৰ ধাৰাবাহিক বাৰ্তালাপৰ জৰিয়তে এনে ধৰণৰ সমস্যা সমাধান কৰিব পৰা যাব। শ্ৰী সিঙে বৰ্তমানৰ প্ৰযুক্তিগত যুগত কম্পিউটাৰ, তথ্য-প্ৰযুক্তি, উপগ্ৰহীয় যোগাযোগ, কৃত্ৰিম বুদ্ধিমত্তা আৰু কোৱাণ্টাম কম্পিউটিং আদিয়ে গোলকীয় অৰ্থনীতিৰ আমূল পৰিৱৰ্তন সাধন কৰা বুলিও মন্তব্য কৰে। তেওঁ এনেধৰণৰ উদ্ভাৱনসমূহৰ লগতে আন জটিল অৰ্থনৈতিক শক্তিসমূহে বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতি অধিক সমৃদ্ধ কৰিছে বুলি অৱগত কৰে। তেওঁ কয় যে, বিভিন্ন ধৰণৰ জটিলতা থকা স্বত্বেও গোলকীয় অৰ্থনীতিয়ে প্ৰসাৰ লাভ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, উন্নয়ন আৰু সুৰক্ষাৰ প্ৰতি ভাৰতৰ বিশেষ দৃষ্টি আছে আৰু ইয়াৰ ফলত দেশ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠিছে।

00000000

অৰ্থনৈতিক পৰিক্ৰমাৰ সংসদীয় সমিতিয়ে আজি প্ৰায় ছহেজাৰ ৭৯৮ কোটি টকা ব্যয় সাপেক্ষ দুটা ৰে'ল প্ৰকল্পত অনুমোদন জনাইছে। যোগাযোগৰ সুবিধা তথা সুচলতা বৃদ্ধি আৰু সা-সামগ্ৰী সৰবৰাহৰ ব্যয় হ্ৰাসৰ উদ্দেশ্যেৰে এই নতুন ৰে'ল প্ৰকল্প দুটা গ্ৰহণ কৰা হৈছে। ইয়াৰে প্ৰথম প্ৰকল্পটোৱে বিহাৰৰ নৰকটিয়াগঞ্জৰ পৰা ৰাক্সাউল, সীতামড়ি আৰু দাৰভাংগাৰ লগতে সীতামড়ি-মুজাফৰপুৰ শাখাৰ প্ৰায় ২৫৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথৰ দ্বৈতকৰণ সামৰি লৈছে। এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চল, নেপাল আৰু অন্যান্য সীমান্ত অঞ্চলৰ সৈতে ৰে'লপথ যোগাযোগ অধিক সুচল কৰি তুলিব। আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছতে সংবাদ মাধ্যমক সম্বোধন কৰি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, অৰ্থনৈতিক পৰিক্ৰমাৰ সংসদীয় সমিতিয়ে এৰৰুপালেম আৰু নাম্বুৰুৰ মাজত অমৰাৱতী হৈ প্ৰায় ৫৭ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি এটা নতুন ৰে'ল পথৰ নিৰ্মাণৰ প্ৰস্তাৱতো অনুমোদন জনাইছে।

*(বাইত ঃ অশ্বিনী বৈষ্ণৱ)*

০০০০০০০০

কেন্দ্ৰীয় কেবিনেটে আজি মহাকাশ খণ্ডৰ বাবে এহেজাৰ কোটি টকাৰ Venture Capital Fund গঠনত অনুমোদন জনাইছে। প্ৰস্তাৱিত Venture Capital Fund ৰ ব্যৱহাৰৰ সময়সীমা পুঁজি সঞ্চালনাৰ আৰম্ভণিৰ দিনটোৰে পৰা ৫ বছৰ পৰ্যন্ত বৃদ্ধি কৰা হ'ব বুলি অৱগত কৰিছে। নতুন দিল্লীত আজি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমক এই সন্দৰ্ভত জনায় যে, এই পুঁজিয়ে মহাকাশ খণ্ডত কাম কৰি থকা ষ্টাৰ্ট আপসমূহৰ প্ৰসাৰৰ বাবে সহায় কৰিব। বিনিয়োগৰ সুবিধা আৰু পুঁজিৰ প্ৰয়োজনীয়তা অনুসৰি প্ৰতি বছৰে এই পুঁজি গড়ে ডেৰশৰ পৰা আঢ়ৈশ কোটি পৰ্যন্ত হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, উদ্ভাৱন আৰু অৰ্থনৈতিক বিকাশ বৃদ্ধিৰ সমান্তৰালকৈ দেশৰ মহাকাশ খণ্ডৰ উন্নীতকৰণৰ উদ্দেশ্যে কৌশলগতভাৱে এই Venture Capital Fund ৰ পৰিকল্পনা কৰা হৈছে।

০০০০০০০০

জাৰ্মানীৰ চেন্সেলৰ অ'লাফ ছ'লজে সপ্তম আন্তঃ চৰকাৰ বাৰ্তালাপত অংশ লোৱাৰ উদ্দেশ্যে তিনি দিনীয়া কাৰ্যসূচীৰে আজি নিশা নতুন দিল্লীত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চেন্সেলৰ ছ'লজে কাইলৈ যুটীয়াভাৱে এই বৈঠকত অধ্যক্ষতা কৰিব। দুয়োগৰাকী নেতাই সুৰক্ষা তথা প্ৰতিৰক্ষা আৰু অৰ্থনৈতিক সহযোগিতা, সেউজ আৰু বহনক্ষম বিকাশ অংশীদাৰিত্ব বৃদ্ধি আৰু উদীয়মান তথা কৌশলগত প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে কাইলৈ দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মূগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মূগা আৰু এড়ী, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। মন্ত্ৰীগৰাকীয়ে লগতে আজি কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনিৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু

ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ ২৫০ গৰাকীৰো অধিক শিপিনীৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিব।

০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অহা ২৭ অক্টোবৰত গুৱাহাটীত উপস্থিত হৈ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে।

০০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে, চৰকাৰে পথ সুৰক্ষাৰ পৰিৱেশ তন্ত্ৰত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰিবলৈ সকলোধৰণৰ আধুনিক প্ৰযুক্তি প্ৰয়োগ কৰিছে। নতুন দিল্লীত আজি দ্বাদশ Traffic Infratech Expo ত সম্বোধন কৰি তেওঁ পথ নিৰ্মাণ কাৰ্যত নতুন আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ গাড়ী চালকসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পথ নিৰ্মাণৰ বাবে উৎকৃষ্ট পদ্ধতি ব্যৱহাৰ কৰাৰ বাবে দেশৰ যুৱ প্ৰজন্মৰ অভিযন্তাসকলক চৰকাৰে উৎসাহিত কৰিছে বুলি অৱগত কৰে।

০০০০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কৈছে যে, শেহতীয়াকৈ অনুমোদন লাভ কৰা বায়' ই থ্ৰী নীতিয়ে দেশৰ সেউজ ৰূপান্তৰণ আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব। বায়' ই থ্ৰী অৰ্থাৎ অৰ্থনীতি, জলবায়ু আৰু নিয়োগৰ বাবে জৈৱ প্ৰযুক্তি নীতি হৈছে দেশৰ জৈৱ উৎপাদনক উচ্চ কাৰ্যক্ষম কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা এটা সুপৰিকল্পিত পদক্ষেপ। আজি নতুন দিল্লীত ভাৰত-জাৰ্মান বিজ্ঞান আৰু প্ৰযুক্তি সহযোগিতাৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, কেন্দ্ৰীয় চৰকাৰৰ অধীনত দেশে বিজ্ঞান আৰু প্ৰযুক্তি খণ্ডত উল্লেখযোগ্য সফলতা লাভ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিখণ্ডক বিশ্বৰ কৌশলগত স্তম্ভৰূপে অভিহিত কৰি শ্ৰী সিঙে লগতে ভাৰতৰ শেহতীয়া মহাকাশ অভিযানসমূহৰ উল্লেখনীয় সফলতাৰ ওপৰতো আলোকপাত কৰে। তেওঁ লগতে ভাৰতৰ ষ্টাৰ্ট আপ পৰিৱেশ তন্ত্ৰই বিশ্বৰ ভিতৰতে তৃতীয় স্থান অৰ্জন কৰাৰ সন্দৰ্ভতো সন্তোষ প্ৰকাশ কৰে। ভাৰত আৰু জাৰ্মানীৰ মাজৰ সুসম্পৰ্কৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে, বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত দুয়ো দেশৰ মাজত থকা সহযোগিতাই এই দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলিও মন্তব্য কৰে।

০০০০০০০০

পুনেত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ আজি প্ৰথম দিনা নিউজিলেণ্ডে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ২৫৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৱাশ্বিংতন সুন্দৰে ৭টা উইকেট আৰু ৰবীচন্দ্ৰন অশ্বিনে তিনিটা উইকেট দখল কৰে। টছত জিকি প্ৰথমে বেটিং কৰা নিউজিলেণ্ডৰ হৈ ডেভন কনৱেই ৭৬ আৰু ৰাচিন ৰবিন্দ্ৰই ৬৫ ৰান কৰে। প্ৰথম দিনৰ খেলৰ সমাপ্তিত ভাৰতে ৰোহিত শৰ্মাৰ উইকেট হেৰুৱাই ১৬ ৰান সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে,  বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিতহৈ ভাৰত শৃংখলাটোত ১-০ৰ ব্যৱধানত পিছ পৰি আছে।

০০০০০০০০

আহমেদাবাদত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া মহিলাৰ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে নিউজিলেণ্ডক জয়ৰ বাবে ২২৮ ৰানৰ লক্ষ্য বান্ধি দিছে।  আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছ্‌ত জিকি প্ৰথমে বেটিং কৰি ৪৪ অভাৰ আৰু ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৭ ৰান সংগ্ৰহ কৰে।

ভাৰতৰ হৈ ছিফালী বাৰ্মাই ৩৩, য়াষ্টিকা ভাটিয়াই ৩৭ ৰান, জেমাইমা ৰ'ড্ৰিগজে ৩৫, তেজল হাছবনিছে ৪২ আৰু দিপ্তী শৰ্মাই ৪১ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ আমেলিয়া কেৰে ৪টা আৰু জেছ্‌ কেৰে ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে বাতৰি যুগুতোৱাৰ পৰলৈকে ২৪ অভাৰ ৪ টা উইকেট হেৰুৱাই ৯৮ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ ডানাৰ প্ৰভাৱত অসমত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হৈ আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা মতে আজি নিশা বা কাইলৈ নিচেই পুৱা এই বতাহজাকে ওড়িশাৰ উপকূলত খুন্দা মৰাৰ সম্ভাৱনা আছে। বিভাগে বতাহজাক প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে বলিব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে।

ঘূৰ্ণীবতাহৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নৌসেনা বাহিনীয়ে ওড়িশা আৰু পশ্চিমবংগৰ উপকূলত প্ৰয়োজনীয় সাহায্য প্ৰদানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

০০০০০০০০

সমাপ্ত